# জনসংখ্যা বৃদ্ধি আৰু বিতৰণ

**TEXTUAL QUESTIONS AND ANSWERS**

**প্ৰশ্ন ১: জনসংখ্যা বৃদ্ধি বুলিলে কি বুজা ?**

**উত্তৰঃ** এক নিৰ্দিষ্ট সময়ৰ ভিতৰত মানুহৰ সংখ্যাগত যি বৃদ্ধি বা বাঢ়ন তাকে জনসংখ্যা বৃদ্ধি বুলি ক'ব পাৰি ।

উদাহৰণ স্বৰূপে ১৯০১ চনত অসমৰ জনসংখ্যা আছিল ৩২.৮ লাখ । ২০০১ চনৰ লােক পিয়ল মতে , অসমৰ জনসংখ্যা হ'লগৈ ২৬৬,৩৮ , ৮০৭ জন । অৰ্থাৎ এই নিৰ্দিষ্ট ১০০ বছৰত অসমত জনসংখ্যা বৃদ্ধি হ'ল- ২৬৩,১০, ৮০৭ জন ।

**প্ৰশ্ন ২: জনসংখ্যাৰ গুণগত বিকাশ মানে কি ?**

**উত্তৰঃ** যিসকল লােক শাৰীৰিক , মানসিক ভাৱে সুস্থ , যিসকল লােকে শিক্ষা দীক্ষা আহৰণ কৰি নিজৰ বুদ্ধি বৃত্তি , কাৰিকৰী কৌশল প্ৰয়ােগ কৰি নিজৰ কাৰ্যদক্ষতাৰ দ্বাৰা দেশৰ সম্পদৰ বিকাশ সাধন কৰিব পাৰে তাকে জনসংখ্যাৰ গুণগত বিকাশ বুলি ক'ব পাৰি ।

**প্ৰশ্ন ৩: জনসংখ্যা বৃদ্ধিয়ে কেনেধৰণৰ সমস্যাৰ সৃষ্টি কৰে ?**

**উত্তৰঃ** একোটা নিৰ্দিষ্ট ভূ – খণ্ডত বসবাস কৰা লােকৰ সংখ্যা যদি বৃদ্ধি হৈ গৈ থাকে তেনেহ'লে সেই ঠাইত বিভিন্ন ধৰণৰ সমস্যাৰ সৃষ্টি হ'ব পাৰে । ইয়াৰ ভিতৰত প্ৰধান সমস্যাবােৰ হৈছে—

১। পৰিবেশৰ ভাৰসাম্যতাৰ অবনতি ।

২।খাদ্যৰ অভাৱ ।

৩। অৰ্থনৈতিক অনগ্ৰসৰতা ।

৪। প্ৰাকৃতিক সম্পদৰ ওপৰত অত্যাধিক হেঁচা ।

৫। মূল্যবৃদ্ধি ।

৬। সংস্থাপনহীনতা ।

৭। বাসস্থানৰ অভাৱ ।

৮। শিক্ষা আৰু স্বাস্থ্যৰ দিশত অভাৱ । আৰু

৯। মানৱ সম্পদ উন্নয়নৰ অন্তৰায় ।

**প্ৰশ্ন ৪: জনসংখ্যাৰ বিতৰণ বুলিলে কি বুজা ?**

**উত্তৰঃ** পৃথিৱীৰ উপৰিভাগৰ ভূখণ্ডত যি ধৰণে জনসংখ্যা সিঁচৰতি হৈ আছে তাক জনসংখ্যাৰ বিতৰণ বুলি জনা যায়। পৃথিৱীৰ মুঠ জনসংখ্যাৰ ৯০ শতাংশ লা েক ধৰাপৃষ্ঠৰ ৩০ শতাংশ ঠাইত বাস কৰে । পৃথিৱীৰ বিভিন্ন অঞ্চলৰ জনসংখ্যাৰ বিতৰণ অসমান । কিছুমান অঞ্চল ঘন বসতিপূৰ্ণ আৰু আন কিছুমান অঞ্চলৰ বসতি অতি পাতল ।

**প্ৰশ্ন ৫: জনসংখ্যাৰ বিতৰণৰ ওপৰত প্ৰভাৱ পেলা েৱা কাৰকবা েৰ কি কি ?**

**উত্তৰঃ** জনসংখ্যাৰ অসমান বিতৰণৰ ক্ষেত্ৰত কিছুমান কাৰকে প্ৰভাৱ বিস্তাৰ কৰে । তেনে কাৰকবা েৰৰ ভিতৰত প্ৰধান কাৰক কেইটা হ'ল–

১। প্ৰাকৃতিক কাৰক ।

২। অৰ্থনৈতিক কাৰক । আৰু

৩। সামাজিক সাংস্কৃতিক কাৰক ।

**প্ৰশ্ন ৬: জনবসতিৰ কেন্দ্ৰীভৱন বুলিলে কি বুজা ? উদাহৰণসহ বুজাই লিখা ।**

**উত্তৰঃ** পৃথিৱীৰ সকলা ে ঠাইতে সমানুপাতিক হিচাপে মানুহে বসবাস নকৰে । প্ৰাকৃতিকভাবে সুৰক্ষিত , অৰ্থনৈতিক দিশত উন্নত আৰু সামাজিক সাংস্কৃতিকভাৱে আগবঢ়া ঠাই মানুহে বসতিৰ বাবে প্ৰধানকৈ বাচি লয় । এনেদৰেই একো একোখন ঠাইত জনবসতিৰ কেন্দ্ৰীয়ভৱন হয় ।

সাধাৰণতে সদায় অনুন্নত ঠাইৰ পৰা উন্নত ঠাইলৈ প্ৰবজন ঘটে । যি ঠাইৰ জলবায়ু ভাল , য'ত স্বাস্থ্য – শিক্ষা আদিৰ সুব্যৱস্থা আছে , য'ত জীৱিকা নিৰ্বাহৰ সুবিধা পা েৱা যায় ,

ৰাস্তা ঘাট বা যাতায়াত ব্যৱস্থা যি ঠাইত ভাল সেই ঠাইলৈকেহে মানুহৰ প্ৰব্ৰজন ঘটে । উদাহৰণস্বৰূপে আজিকালি গ্ৰামাঞ্চলৰ পৰা মানুহে চহৰলৈ গৈ বসতি স্থাপন কৰে । উপৰিউক্ত সকলাে বাে ৰ সুবিধাই নগৰ – চহৰত উপলব্ধ হয় । এই কাৰণবাে ৰৰ বাবেই আমাৰ গুৱাহাটী চহৰত জনবসতি কেন্দ্ৰীভূত হৈছে আৰু ইয়াৰ জনসংখ্যা অস্বাভাৱিক ভাবে বৃদ্ধি হ'ব ধৰিছে ।

**প্ৰশ্ন ৭: জনবসতিৰ কেন্দ্ৰীভৱন কি কি সা- সুবিধাৰ ভিত্তিত ঘটে ?**

**উত্তৰঃ** কোনাে মানুহেই অসহনীয় পৰিবেশত , জীৱন ধাৰণৰ বাবে সুবিধা বিহীন ঠাইত বাস কৰিব নিবিচাৰে । সেয়ে জীৱন নিৰ্বাহৰ বাবে সুচল ঠাইলৈ মানুহৰ সোঁত , বয় আৰু জনবসতিৰ কেন্দ্ৰীভৱন হয় ।

***নিম্নলিখিত সা – সুবিধাসমূহৰ ভিত্তিত জনবসতিৰ কেন্দ্ৰীভৱন হয়—***

১। সাধাৰণতে নদী উপত্যকা আৰু উপকুলীয় সমভূমিৰ উৰ্বৰ মাটি মানুহে বসবাসৰ বাবে বাচনি কৰে , যত আয়াসতে খেতি-বাতি কৰি জীৱিকা নিৰ্বাহ কৰিব পাৰে ।

২। সুগম যাতায়াত ব্যৱস্থা থকা ঠাইত বিশেষকৈ জনবসতি কেন্দ্ৰীভূত হয় । উদাহৰণ স্বৰূপে গুৱাহাটী মহানগৰ আৰু ইয়াৰ উপকণ্ঠ অঞ্চল ।

৩। সম্পদৰ প্ৰাচুৰ্য আৰু উদ্যোগিক সা – সুবিধা থকা অঞ্চল সমূহত জনবসতি কেন্দ্ৰীভূত হয় ।

৪। ব্যৱসায় – বাণিজ্য আৰু নিয়াে গৰ সম্ভাৱনা থকা নগৰ অঞ্চলত জনবসতি অত্যধিক হয় ।

৫। শিক্ষা – সংস্কৃতিৰ কেন্দ্ৰস্থল সমূহ মানুহে বসতিৰ বাবে পচণ্ড কৰে ।

**প্ৰশ্ন ৮: ঘন বসতিৰ বাবে উদ্ভৱ হাে ৱা সমস্যাবাে ৰ কি কি ? সেই সমস্যাবাে ৰ দূৰ কৰাৰ কাৰণে কেনে ধৰণৰ ব্যৱস্থা ল'ব পাৰি ?**

**উত্তৰঃ** মানুহে জীৱনটো সুখ – স্বাচ্ছন্দ্যপূৰ্ণভাবে কটাবলৈ হাবিয়াস কৰে। সেয়ে সকলাে দিশৰ পৰা সুবিধাজনক স্থানত মানুহে বসবাস কৰিবলৈ আহে । ফলস্বৰূপে একোটা অঞ্চলত বসতি হৈ পৰে অতিকৈ ঘন । ঘন বসতিৰ বাবে উদ্ভৱ হয় বিভিন্ন সমস্যাৰ ।

***সমস্যাসমূহঃ-***

( ক ) ঘন বসতিৰ বাবে মাটিৰ পৰিমাণ কমি আহে। ফলস্বৰূপে তাকৰীয়া মাটিতে বাসস্থান সাজি অতি ঠেক পৰিবেশত থাকিবলগীয়া হয় ।

( খ ) ঘন বসতিৰ বাবে একোহত অঞ্চলত এনেকুৱা পৰিবেশৰ সৃষ্টি হয় যে বিশুদ্ধ বায়ুৰো অভাৱ হৈ পৰে ।

( গ ) ঘন বসতিপূৰ্ণ অঞ্চলৰ বাট পথবোৰ অতি ঠেক হোৱা বাবে বাসিন্দাসকলৰ বিভিন্ন সমস্যা হয়।

( ঘ ) ঘন বসতি প্ৰধান অঞ্চলত পৰিবেশৰ ভাৰসাম্যতাৰ অৱনতি ঘটা দেখা যায় ।

( ঙ ) ঘন বসতিপূৰ্ণ এলেকাত প্ৰাকৃতিক দুৰ্যোগ যেনে— ভূমিকম্প , বানপানী , অগ্নিকাণ্ড , আদিত বিস্তৰ ক্ষতি হোৱা দেখা যায় ।

( চ ) ঘন বসতিপূৰ্ণ অঞ্চলত মুকলি ঠাই বা আওহতীয়া ঠাই নথকা বাবে দৈনন্দিন ব্যৱহাৰ্য সামগ্ৰীৰ পেলনীয়া ভাগ পেলাবলৈও বাসিন্দা সকলে মূৰ ঘমাবলগীয়া হয় ।

***সমস্যা দূৰীকৰণৰ ব্যৱস্থা –***

ঘন বসতিপ্ৰধান অঞ্চলৰ সমস্যাসমূহ দূৰীকৰণৰ বাবে ল'ব পৰা ব্যৱস্থা সমূহ তলত উল্লেখ কৰা হ'ল—

( ক ) সাধাৰণতে শিক্ষা – স্বাস্থ্য , কৰ্ম সংস্থাপনৰ সুবিধা থকা ঠাইত মানুহৰ বসতি ঘন হয় । সেয়ে চৰকাৰে এই সুবিধাসমূহ বিকেন্দ্ৰীকৰণ কৰিলে জনসাধাৰণো কেন্দ্ৰীভূত নহৈ বিভিন্ন ঠাইত বসবাস কৰিব আৰু বসতি পাতল হ'ব ।

( খ ) জনসাধাৰণেও বসতি কৰা এলেকাৰ স্বাস্থ্যবিধি সম্পৰ্কে আগতীয়া চিন্তা চৰ্চা কৰিব লাগিব । তেওঁলোকে নাগৰিক সমিতি গঠন কৰি বাট – পথ , নলা – নৰ্দমাৰ দিহা কৰিব লাগিব । চৰকাৰী বিভাগবোৰে এই ক্ষেত্ৰত নজৰ দিব লাগিব ।

( গ ) ঘন বসতিপূৰ্ণ এলেকাত জাবৰ – জোথৰ , পেলনীয়া সামগ্ৰী নিষ্কাষণৰ ক্ষেত্ৰত চৰকাৰ সজাগ হ'ব লাগিব । জনসাধাৰণো সচেতন হ'ব লাগিব ।

( ঘ ) গণতান্ত্ৰিক দেশবোৰত নাগৰিকৰ অধিকাৰ আৰু কৰ্তব্য বুলি দুটা কথা আছে । গতিকে জনসাধাৰণে কেৱল অধিকাৰ দাবী কৰি চৰকাৰক ব্যতি ব্যস্ত নকৰি নিজৰ কৰ্ত্তব্য সুচাৰুৰূপে পালন কৰি নিজ এলেকাক সমস্যা মুক্ত কৰিব পাৰে ।

**প্ৰশ্ন ৯: জনসংখ্যাৰ ঘনত্ব বুলিলে কি বুজা ?**

**উত্তৰঃ** জনসংখ্যা ঘনত্ব ( Population Density ) বুলি ক'লে কোনাে এখন ঠাইৰ প্ৰতি বৰ্গ কিলােমিটাৰ মাটি কালিৰ অংশত স্থানীয় ভাৱে বসবাস কৰা লােকৰ সংখ্যাকে বুজায় । অঞ্চলভেদে জনসংখ্যা ঘনত্ব বেলেগ বেলেগ হয় ।

**প্ৰশ্ন ১০: পৃথিৱীৰ অধিক জনসংখ্যা ঘনত্বৰ অঞ্চল কেইটা উল্লেখ কৰা ।**

**উত্তৰঃ** জন সংখ্যা ঘনত্বৰ ভিত্তিত পৃথিৱীৰ চাৰিটা বিশেষ অঞ্চলক অতি ঘনবসতি পূৰ্ণ বুলি চিহ্নিত কৰিব পাৰি । সেই কেইটা হ'ল—

( ১ ) পুৱ – এছিয়া ।

( ২ ) দক্ষিণ পূৰ্ব এছিয়া ।

( ৩ ) পশ্চিম আৰু মধ্য ইউৰােপ । আৰু

( ৪ ) আমেৰিকা যুক্তৰাষ্ট্ৰৰ উত্তৰ পূব উপকুলীয় অঞ্চল ।

এই কেইটা অঞ্চলত পৃথিৱীৰ মুঠ জন সংখ্যাৰ ৭৪ শতাংশ লােকে বাস কৰে ।

**প্ৰশ্ন ১১: জন-প্ৰব্ৰজন বুলিলে কি বুজা ? জন – জন-প্ৰব্ৰজনৰ প্ৰধান কাৰণবােৰ কি কি ?**

**উত্তৰঃ** কৰ্মসূত্ৰে বা অন্য কাৰণত মানুহে যেতিয়া নিজৰ বাসভূমি এৰি অন্য ঠাইত বাস কৰিবলৈ যায় তাকে জন-প্ৰব্ৰজন বুলি কোৱা হয় । জন- প্ৰব্ৰজনৰ প্ৰধান কাৰকবােৰ হ'ল—

১। সামাজিক কাৰণ — ( বিবাহ প্ৰথা , সামাজিক বাধ্য বাধকতা , আন্দোলন , নিৰাপদ জীৱন যাপন )

২। কৃষি ভূমিৰ প্ৰাচুৰ্য ।

৩। উন্নত শিক্ষা আৰু কৰ্ম সংস্থাপনৰ সুবিধা ।

৪। সম্পদৰ প্ৰাচুৰ্য ।

৫। ধৰ্মীয় কাৰক ।

৬। ৰাজনৈতিক কাৰক ।

৭। প্ৰাকৃতিক কাৰক ( ভূমিকম্প , বানপানী , গৰাখহনীয়া , মহামাৰী )।

৮। উদ্যোগ আৰু নগৰ  আৰু

৯। বল প্ৰয়াোগ ( চৰকাৰী আঁচনি , ৰাজনৈতিক নীতি )

**প্ৰশ্ন ১২: জনসংখ্যাৰ বিস্ফোৰণ মানে কি বুজাই লিখা।**

**উত্তৰঃ** কোনাে এখন দেশৰ জনসংখ্যা অতি উচ্চ হাৰত বৃদ্ধি হাোৱা অৱস্থাটোক জনসংখ্যাৰ বিস্ফোৰণ বুলি কোৱা হয় ।

জনসংখ্যা বিস্ফোৰণৰ কিছুমান কাৰণ আছে । সেইবাোৰ আমি তলত দিয়া ধৰণে বিশ্লেষণ কৰিব পাৰো ।

১। জন্মৰ হাৰ আৰু মৃত্যুৰ হাৰৰ মাজত বৰ্ধিত ব্যৱধান অৰ্থাৎ জন্মৰ হাৰ বৃদ্ধি আৰু মৃত্যুৰ হাৰ হ্ৰাস । বিশ্বৰ উন্নয়নশীল দেশবাোৰৰ উন্নয়নমূলক আঁচনিৰ ফলস্বৰূপে মৃত্যুৰ হাৰ ক্ষিপ্ৰগতিত হ্ৰাস পাইছে আৰু জনসংখ্যা বৃদ্ধিৰ হাৰ অভাৱনীয় হাৰত বৃদ্ধি পাইছে ।

২। নিৰক্ষৰতা জনসংখ্যা বৃদ্ধিৰ এটা প্ৰধান কাৰণ। শিক্ষা – দীক্ষা নথকা লাােকসকলে পৰিয়াল পৰিকল্পনা কি তাক ভালদৰে নাজানে । গতিকে অধিক সন্তান জন্ম দি জনবিস্ফোৰণত সহায় কৰে।

৩। ধৰ্মীয় অন্ধবিশ্বাস আৰু পুৰণি-কলীয়া ৰীতি-নীতিৰ প্ৰতি ৰক্ষণশীলতাই মানুহক বিজ্ঞান প্ৰযুক্তিৰ কথা চিন্তা কৰিবলৈ নিশিকায় । সতি – সন্ততি ভগৱানৰ দান , সন্তান জন্মত মানুহৰ কোনাে কৰণীয় নাই;এই মান্ধাতাযুগীয়া ধৰ্মীয় বিশ্বাসক সাৰােগত কৰি বহুত মানুহে জন্ম নিয়ন্ত্ৰণ কৰিবলৈ অস্বীকাৰ কৰে । এনে ব্যৱস্থাই জন – বিস্ফোৰণত প্ৰভূত বৰঙণি আগ বঢ়াইছে ।

৪। গৰিষ্ঠ সংখ্যক লাোকেই ভবিষ্যত দৰ্শী নহয় । জনসংখ্যা বৃদ্ধিৰ ফলত ভবিষ্যতে কি ফলাফল হ'ব পাৰে বা কি দুৰ্ভোগ ভুগিব লাগিব পাৰে , সেই কথা আগতীয়াকৈ নভবা বাবেই জন – বিস্ফোৰণে এক বিশেষ স্থিতি লৈছে ।

**প্ৰশ্ন ১৩: জনসংখ্যা বিস্ফোৰণৰ ফলত সৃষ্টি হাোৱা সমস্যাবাোৰ কি কি ?**

**উত্তৰঃ** জনসংখ্যাৰ বিস্ফোৰণে নানান ধৰণৰ সমস্যাৰ সৃষ্টি কৰিছে । ইয়াৰ ভিতৰত প্ৰধান সমস্যাবাোৰ হৈছে –

১। পৰিৱেশৰ ভাৰসাম্যতাৰ অৱনতি ।

২। খাদ্যৰ অভাৱ ।

৩। অৰ্থনৈতিক অনগ্ৰসৰতা ।

৪। প্ৰাকৃতিক সম্পদৰ ওপৰত অত্যাধিক হেঁচা ।

৫। মূল্যবৃদ্ধি ।

৬। সংস্থাপনহীনতা ।

৭। বাসস্থানৰ অভাৱ ।

৮। শিক্ষা আৰু স্বাস্থ্যৰ দিশত অভাৱ । আৰু

৯। মানৱ সম্পদ উন্নয়নৰ অন্তৰায় ইত্যাদি ।

**প্ৰশ্ন ১৪: মানব সম্পদ হবলৈ কি কি গুণৰ প্ৰয়াোজন ?**

**উত্তৰঃ** মানুহৰ আকৃতি লৈ জন্ম লাভ কৰিলেই মানৱ সম্পদ হব নাোৱাৰে।মানৱ সম্পদ হ'বলৈ হ'লে কিছুমান গুণৰ অধিকাৰী হ'ব লাগিব ; যিবাোৰ অবিহনে মানৱ বা মানুহ সম্পদ নহৈ সমাজৰ বাবে বিপদহে হ'ব পাৰে । মানৱ সম্পদ বুলি ক'লে সমাজ তথা দেশৰ উন্নয়নৰ বাবে শাৰীৰিক মানসিক অৰিহনা আগবঢ়াব পৰা

মানুহক বুজায় । সম্পদ হ'বলৈ মানুহক কিছুমান গুণৰ প্ৰয়াোজন । সেইবাোৰ হ'ল –

( ১ ) শিক্ষা ।

( ২ ) বুদ্ধিবৃত্তি ।

( ৩ ) কাৰিকৰী কৌশল ।

( ৪ ) কৰ্মদক্ষতা । আৰু

( ৫ ) উচ্চস্তৰীয় চিন্তা চৰ্চা ।

**প্ৰশ্ন ১৫: মানৱ সম্পদক কিয় শ্ৰেষ্ঠ সম্পদ বুলি আখ্যা দিয়া হয় ?**

**উত্তৰঃ** মানুহেই পৃথিৱীত একমাত্ৰ জীৱ যাৰ চিন্তা শক্তি আছে । চিন্তা শক্তি থকা বাবেই মানুহে ভাল বেয়াৰ ব্যৱধান বুজি পায় , শিক্ষা – দীক্ষা গ্ৰহণ কৰি বুদ্ধিবৃত্তিৰ জৰিয়তে কৰ্মদক্ষতা অৰ্জন কৰি উচ্চ স্তৰীয় চিন্তা চৰ্চাৰে কাৰিকৰী কৌশল আয়ত্ব কৰি দেশ , জাতি , মানৱ সমাজ তথা জীৱ কুললৈ প্ৰভূত বৰঙণি আগবঢ়াব পাৰে । এনেবা েৰ গুণৰ বাবেই মানৱ সম্পদক শ্ৰেষ্ঠ সম্পদ আখ্যা দিয়া হয়।

**প্ৰশ্ন ১৬: আমাৰ দেশত মানৱ সম্পদৰ উন্নতিৰ বাবে কেনেধৰণৰ ব্যৱস্থা লা েৱা হৈছে ?**

**উত্তৰঃ** উচ্চ দক্ষতা সম্পন্ন লা েক দেশৰ মুল্যবান সম্পদ । তেওঁলা েকে দেশৰ উৎপাদনমুখী কাৰ্যত জড়িত হৈ দেশক উন্নতিৰ পথত আগুৱাই নিয়ে । পৃথিৱীৰ উন্নত দেশ সমূহৰ শিক্ষিত কাৰিকৰী বিদ্যাত পাৰদৰ্শী লা েকসকলে উৎপাদনমুখী কাৰ্যত জড়িত হৈ দেশক চহকী কৰি তুলিছে । আমাৰ দেশ ভাৰতবৰ্ষ উন্নত দেশৰ শাৰীত এতিয়াও পৰা নাই । ই এখন বৰ্তমান উন্নয়নশীল দেশ । জনসংখ্যাৰ ক্ষেত্ৰত তালিকাৰ শীৰ্ষৰফালে স্থান পালেও মানৱ সম্পদত চহকী বুলি ক’ব না েৱাৰি । মানৱ সম্পদ উন্নয়নৰ বাবে চৰকাৰে বিভিন্ন আঁচনি গ্ৰহণ কৰিছে । উদাহৰণ স্বৰূপে—

১। খাদ্য সুৰক্ষা আঁচনি ।

২। ইন্দিৰা আৱাস যা েজনা ।

৩। সৰ্বশিক্ষা অভিযান ।

৪। প্ৰধান মন্ত্ৰীৰ গ্ৰাম চড়ক যা েজনা । আৰু

৫। ৰাষ্ট্ৰীয় গ্ৰাম্য স্বাস্থ্য অভিযান আদি ।

**প্ৰশ্ন ১৭: আমাৰ দেশত মানৱ সম্পদৰ বাহিৰৰ দেশলৈ যাোৱাৰ প্ৰৱণতা বৃদ্ধি পাোৱাৰ কাৰণ কি বুলি ভাবা ?**

**উত্তৰঃ** বৰ্তমান বিশ্বায়নৰ যুগত গাোটেই পৃথিৱীতে মুক্ত বাণিজ্য সম্ভৱ হৈ উঠিছে । ৰাজনৈতিক , বাণিজ্যিক গাোষ্ঠীবাোৰে কাৰিকৰী দিশত পাৰদৰ্শী লাোক সকলক নিযুক্তি দি বিশ্বত বাণিজ্যিক প্ৰসাৰ ঘটাইছে । এনেধৰণৰ নিযুক্তি লাভৰ বাবে যুৱ প্ৰজন্মৰ মাজত অন্য দেশলৈ যাোৱাৰ প্ৰৱণতা বৃদ্ধি পাইছে ।

উন্নয়নশীল দেশ আমাৰ ভাৰতবৰ্ষত জনসংখ্যা অনুপাতে দক্ষলাোক বা মানৱ সম্পদৰ হাৰ বেছি নহ'লেও যথেষ্ট সংখ্যক দক্ষতা সম্পন্ন লাোক আমাৰ দেশতাো আছে । কিন্তু পৃথিৱীৰ উন্নত দেশ সমূহৰ দৰে আমাৰ দেশে সেই লাোকসকলৰ বাবে উপযুক্ত কৰ্ম সংস্থাপনৰ ব্যৱস্থা কৰিব পৰা নাই । সেয়ে বিশ্বায়নৰ সুযাোগ গ্ৰহণ কৰি আমাৰ দেশৰ মানৱ সম্পদ বাহিৰৰ দেশলৈ যাোৱাৰ প্ৰৱণতা বৃদ্ধি পাইছে ।

**প্ৰশ্ন ১৮: জনসংখ্যাৰ বিস্ফোৰণ বুলিলে কি বুজা ?**

**উত্তৰঃ** কোনাো এখন দেশৰ জনসংখ্যা অতি উচ্চ হাৰত বৃদ্ধি হাোৱা অৱস্থাটোকে জনসংখ্যাৰ বিস্ফোৰণ বুলি কোৱা হয় । জনসংখ্যা বিস্ফোৰণৰ কিছুমান কাৰক আছে । সাধাৰণতে পৃথিৱীৰ উন্নয়নশীল দেশবাোৰতহে জন বিস্ফোৰণ হাোৱা দেখা যায় । উন্নয়নশীল দেশবাোৰত ৰাষ্ট্ৰযন্ত্ৰই জনসাধাৰণক সম্পূৰ্ণৰূপে শিক্ষিত কৰি গঢ়ি তুলিব পৰা নাই । মানুহবোৰ শিক্ষিত নহলে ধৰ্মীয় অন্ধ বিশ্বাস আৰু ৰক্ষণশীলতা কেতিয়াও মনৰ পৰা আঁতৰি নাযায় । তেওঁলাোকে জনসংখ্যা বিস্ফোৰণৰ ফলত হ'ব পৰা পৰিণাম সম্পৰ্কেও সচেতন নহয় । সেয়ে সতি – সন্ততি ভগৱানৰ দান আৰু ইয়াত বাধা প্ৰদান কৰাটো পাপ বুলি ভাবি সন্তান জন্ম দিয়েই থাকে । ফলশ্ৰুতিত সময়ত জনবিস্ফোৰণ হয় আৰু সমাজে দুৰ্ভোগ ভুগিবলগীয়া হয় ।

অইন দেশৰ পৰা প্ৰবজন কৰা লাোকেও জন বিস্ফোৰণত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ ।

**প্ৰশ্ন ১৯: মানুহক কিয় সম্পদ বুলি গণ্য কৰা হয় ?**

**উত্তৰঃ** সমাজ তথা দেশৰ উন্নয়নৰ বাবে শাৰীৰিক মানসিক অৰিহণা একমাত্ৰ মানুহেই আগবঢ়াব পাৰে বাবেই মানুহক সম্পদ বুলি গণ্য কৰা হয় ।

**প্ৰশ্ন ২০: জনসংখ্যা বৃদ্ধিৰ মূল কাৰণ কি কি ?**

**উত্তৰঃ** পৃথিৱীত দ্রুত হাৰত জনসংখ্যা বৃদ্ধিৰ প্ৰধান কাৰণ হৈছে জন্মৰ হাৰ বৃদ্ধি আৰু মৃত্যুৰ হাৰ হ্ৰাস । শিক্ষা , বিজ্ঞান , প্ৰযুক্তি বিদ্যা , সামাজিক তথা অৰ্থনৈতিক উন্নতি আদিয়ে মৃত্যুৰ হাৰ যথেষ্ঠ পৰিমাণে হ্ৰাস কৰিছে । আনহাতে নিৰক্ষৰতা , অন্ধবিশ্বাস আদিৰ প্ৰভাৱত পিচপৰি থকা অঞ্চলত জনসংখ্যা নিয়ন্ত্ৰণ কৰা আঁচনিবিলাক আশানুৰূপ ভাবে ৰূপায়ণ নাােহাােৱাটো জনসংখ্যা বৃদ্ধিৰ অন্যতম কাৰণ ।

**প্ৰশ্ন ২১: মানব সম্পদ উন্নয়নৰ বাবে চৰকাৰে লাােৱা কেইখনমান আঁচনিৰ নাম উল্লেখ কৰা।**

**উত্তৰঃ** মানৱ সম্পদ উন্নয়নৰ বাবে চৰকাৰে কিছুমান আঁচনি গ্ৰহণ কৰিছে । সেইবাােৰৰ কেইখনমান তলত উল্লেখ কৰা হ’ল —

১। খাদ্য সুৰক্ষা আঁচনি ।

২। ইন্দিৰা আবাস যাােজনা ।

৩। প্ৰধান মন্ত্ৰীৰ গ্ৰাম চড়ক যাােজনা ।

৪। সৰ্বশিক্ষা অভিযান । আৰু

৫। ৰাষ্ট্ৰীয় গ্ৰাম্য স্বাস্থ্য অভিযান ইত্যাদি ।

**প্ৰশ্ন ২২: শুদ্ধ উত্তৰটো লিখাঃ**

**( ক ) কোনটো অঞ্চলত জনসংখ্যা আটাইতকৈ বেছি ?**

১। নিৰক্ষীয় অঞ্চল ।

২। মেৰু অঞ্চল ।

৩। পুব – এচিয়া ।

৪। আফ্ৰিকাৰ চাহাৰা মৰুভূমি ।

**উত্তৰঃ** পূব – এচিয়া ।

**( খ ) কোনখন মহাদেশৰ জনসংখ্যা সৰ্বাধিক ?**

১। ইউৰা◌েপ।

২। আফ্ৰিকা।

৩। এচিয়া।

৪। অষ্ট্ৰেলিয়া।

**উত্তৰঃ** এচিয়া।

**( গ ) ২০১১ চনত অসমৰ জনসংখ্যা আছিল –**

১। ২.২৪ কোটি।

২। ৩.১২ কোটি।

৩। ২.৩৫ কোটি।

৪। ২.৮৬ কোটি।

**উত্তৰঃ** ৩.১২ কোটি।

**( ঘ ) তলত উল্লেখ কৰা কোনখন মহাদেশত মানুহৰ স্থায়ী বসতি নাই।**

১। এচিয়া।

২। দক্ষিণ – আমেৰিকা।

৩। কুমেৰু।

৪। ইউৰা◌েপ।

**উত্তৰঃ** কুমেৰু।

**প্ৰশ্ন ২৩: খালী ঠাই পূৰ কৰা –**

( ক ) জনসংখ্যা বৃদ্ধি শব্দটোৱে জনসংখ্যাৰ __ বৃদ্ধিক বুজায় ।

**উত্তৰঃ** সংখ্যাগত ।

( খ ) পৃথিৱীৰ বেছিভাগ মানুহে __ গােলার্দ্ধত বাস কৰে ।

**উত্তৰঃ** উত্তৰ গােলার্দ্ধত ।

( গ ) প্ৰতি বৰ্গ কিলােমিটাৰ এলেকাত যিমান সংখ্যক লােকে বসতি কৰে সিয়েই সেই ঠাইখনৰ জনসংখ্যাৰ _ ।

**উত্তৰঃ** ঘনত্ব ।

( ঘ ) ২০১১ চনৰ হিচাপ মতে ভাৰতৰ মুঠ জনসংখ্যা ___ ।

**উত্তৰঃ** ১২১.১ কোটি ।

( ঙ ) উন্নত দেশ সমূহৰ জনবসতি অতি __ ।

**উত্তৰঃ** পাতল ।

( চ ) জনসংখ্যাৰ অভাৱনীয় বৃদ্ধিক __ বােলা হয় ।

**উত্তৰঃ** জনসংখ্যাৰ বিস্ফোৰণ ।

( ছ ) জনসংখ্যা বৃদ্ধি মানে ইয়াৰ ___ আৰু বিকাশ মানে ইয়াৰ ___ ।

**উত্তৰঃ** সংখ্যাগত বৃদ্ধি , গুণগত উৎকৰ্ষ ।

## অতিৰিক্ত প্ৰশ্নোত্তৰ

**প্ৰশ্ন ১: প্ৰব্ৰজন মূলতঃ কেইপ্ৰকাৰ ? কি কি বুজাই লিখা ।**

**উত্তৰঃ** প্ৰব্ৰজন মূলতঃ দুই প্ৰকাৰ ।

১। আন্তঃ প্ৰব্ৰজন । আৰু

২। বহিঃ প্ৰব্ৰজন ।

১। আন্তঃপ্ৰব্ৰজন :- অন্য ঠাই বা অন্য চুবুৰীয়া দেশৰ পৰা অন্য এখন ঠাই বা দেশলৈ লোকসকল বসবাস কৰিবলৈ অহা প্ৰক্ৰিয়াক আন্তঃপ্ৰব্ৰজন বোলে । উদাহৰণ স্বৰূপে অসমলৈ বহিঃ ৰাষ্ট্ৰৰ পৰা হোৱা প্ৰব্ৰজন ।

২। বহিঃপ্ৰব্ৰজন :- অন্য ঠাই বা অন্য চুবুৰীয়া দেশলৈ বসবাস কৰিবলৈ যোৱাটোক বহিঃপ্ৰব্ৰজন বুলি কোৱা হয় । উদাহৰণ স্বৰূপে আমাৰ ৰাজ্য বা দেশৰ পৰা বহুলোকে বহিঃৰাষ্ট্ৰলৈ কৰ্ম সংস্থাপনৰ বাবে যোৱাটো ।

**প্ৰশ্ন ২: পৃথিৱীৰ পাঁচখন উন্নত দেশৰ নাম লিখা ।**

**উত্তৰঃ** আমেৰিকা যুক্তৰাষ্ট্ৰ , জাৰ্মানী , ফ্ৰান্স , জাপান আৰু চীন ।

**প্ৰশ্ন ৩: উন্নত দেশ আৰু উন্নয়নশীল দেশৰ মাজৰ পাৰ্থক্যবোৰ লিখা ।**

**উত্তৰঃ** উন্নত দেশবোৰত অধিকাংশ মানুহ শিক্ষিত , কাৰিকৰী বিদ্যাত পাৰদৰ্শী আৰু উচ্চ দক্ষতা সম্পন্ন । তেওঁলোকে দেশৰ উৎপাদন মুখী কাৰ্যত জড়িত হৈ দেশক উন্নতিৰ পথত আগবঢ়াই নিয়ে ।

আনহাতে উন্নয়নশীল দেশ সমূহত জনসংখ্যা বেছি হ'লেও মানৱ সম্পদত চহকী বুলি ক'ব নোৱাৰি । কাৰণ সেইবোৰ দেশৰ সৰহসংখ্যক লোক শিক্ষা , স্বাস্থ্য , কাৰিকৰী বিদ্যা আদিত পিছপৰা । দেশৰ উন্নয়নমূলক কামত শাৰীৰিক আৰু মানসিকভাৱে অৰিহণা যোগাবলৈ অসমৰ্থ ।